প্ৰবন্ধ প্ৰতিযোগিতা বাবে......

প্ৰতিযোগীৰ তথ্য___

পূজা নাথ

নাওবৈচা মহাবিদ্যালয়

চতুৰ্থ বৰ্ষ ছাত্ৰী

জিলা _লখিমপুৰ, অসম , ৭৮৭০২৩

দূৰভাষ :- ৬০০২৭৯২২৬২

ইমেইল :- pujanath829@gmail.com

প্ৰাককথন ::--

বিষয় :- দিচাং নদী : প্ৰদূষণ , সংৰক্ষণ আৰু তোমাৰ অভিজ্ঞতা

"কোন নাৰীৰ কিমান দুখ

তেওঁ জুখিব পাৰে

কোন গাঁৱৰ কি গীত

তেওঁ গাব পাৰে,

চহৰ-নগৰ গাঁৱত

তেওঁ বিৰাজ কৰে...

পাগলাদিয়া মানে মোৰ

নিৰুপমা নিৰুপমা লাগে ..."

—ড° জীতেন দাস

মানুহৰ জীৱনত নদীৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী| পৃথিৱীৰ প্ৰতিটো প্ৰাচীন সভ্যতাৰ উত্থান আৰু বিকাশ নদীকেন্দ্ৰিক| আনকি একো একোখন নদীৰ নামেৰেই এই সভ্যতাবোৰৰ পৰিচয়| সিন্ধু নদীৰ উপত্যকাৰ সভ্যতা, নীল নদীৰ সভ্যতা আদিয়েই এই কথা প্ৰমাণ কৰে| নদীকেন্দ্ৰিক এই সভ্যতাবোৰৰ উত্থান-পতনৰ ইতিহাস থকাৰ দৰে নদীবোৰৰো একো একোটা নিজস্ব ইতিহাস আছে| নদীৰ সৃষ্টি হয় প্ৰাকৃতিক কাৰণত| হ্ৰদ বা সাগৰ-মহাসাগৰৰ বুকুলৈ প্ৰবাহিত হৈ থকা প্ৰাকৃতিক জলধাৰাকে নদী আখ্যা দিয়া হয়| প্ৰাকৃতিক ভাবে সৃষ্টি হোৱা 'নদী' নামৰ এই জলধাৰাৰো এক ঐতিহাসিক পৰিক্ৰমা আছে আৰু প্ৰতিখন নদীৰে এই ঐতিহাসিক পৰিক্ৰমাক মানুহে পুৰাতন কালৰে পৰা স্বীকাৰ কৰি আহিছে|

দিচাং নদী হৈছে ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰৰ উপনদী| এই নদীৰ দৈৰ্ঘ্য ২৩০ কিঃমিঃ আৰু অৱবাহিকাৰ কালি ৩৯৫০ বৰ্গ কিঃমিঃ| দিচাং নদীখন অৰুণাচলৰ টিৰাপ জিলাৰ দক্ষিণ অংশৰ পাটকাই পৰ্বতৰ ২৬০০ মিটাৰ ওখ বুম শৃংগৰ পৰা ওলাইছে | তাৰ পাচত অৰুণাচল আৰু অসমৰ সীমাৰ কাষেৰে বৈ আহি দিল্লি নদী নাম লৈ নামৰূপৰ দিল্লিঘাট হৈ নামৰূপ ষ্টেচনৰ পৰা ১ কিঃমিঃ দক্ষিণে বৈ গৈ সাপেখাতী সংৰক্ষিত বনাঞ্চল সীমাইদি বৈ লংপতিয়া হৈ টিমক নদীৰ লগ হয় | ইয়াৰ পৰা ৩০ কিঃমিঃ পশ্চিম-দক্ষিণ দিশত বৈ গৈ টাওকাক নদীৰ লগ হয় | তাৰ পাচত ১২ কিঃমিঃ আহি চক্ৰাই নদীৰ সৈতে লগ লাগি ৫ কিঃমিঃ ভটিয়াই নঙলামৰা হৈ ৰজাবাৰীত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হৈ ৫ কিঃমিঃ আহি আখৈফুটীয়াৰ বিপৰীত পাৰে বৰ পালেঙী জানৰ লগ হয়| তাৰ পাচত ডিমৌ নদী লগ হৈ ৫ কিঃমিঃ ভটিয়াই আহি দিচাংমুখত ব্ৰহ্মপুত্ৰত পৰিছে|

উপনদী সমূহ হল:-

টিমন নদী

টাওকাক নদী

চক্ৰাই নদী

দিৰৈ নদী

ডিমৌ নদী

মহাবাহু ব্ৰহ্মপুত্ৰকে ধৰি ৰাজ্যখনৰ ২৮খন নদীৰ পানী প্ৰদূষিত হোৱা বুলি সংসদত কেন্দ্ৰীয় চৰকাৰে তথ্য প্ৰকাশ কৰিছে| কেন্দ্ৰীয় বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী মহেশ শৰ্মাই প্ৰকাশ কৰা মতে ব্ৰহ্মপুত্ৰৰ উপৰি ৰাজ্যখনৰ বৰাক, ভৰলু, ভোগদৈ, বগীনদী, বুঢ়ীদিহিং, ডিগবৈ, দিচাং, জীয়া ভৰলী, সোৱনশিৰি, দিপৰ বিলকে ধৰি ২৮ খন নদীৰ পানী প্ৰদূষিত হৈছে|

বকতা শিৱসাগৰ জিলাৰ শিৱসাগৰ মহকুমাৰ অন্তৰ্গত এটা ডাঙৰ মৌজা। আজিৰ পৰা বিশ-পঁচিশ বছৰমান আগতে  বকতা  মানেই বানপানী বুলি জনা গৈছিল। অভিজ্ঞতা থকাসকলে এতিয়াও আতংকৰে সোঁৱৰে সেই দিনবোৰ। দুঃসময়ৰ আঁচোৰে এতিয়াও তেওঁলোকৰ চকুৰ লো বোৱায়। বেজবৰুৱাই শিৱসাগৰ জিলাৰ দুখন প্ৰধান নদী দিখৌ আৰু দিচাংক শিৱসাগৰৰ এযুৰি বলয় বুলি কৈ গৈছিল। নকবনো কিয় ! খৰালিৰ সৌম্যৰূপে শিৱসাগৰৰ জেউতি চৰোৱা এযুৰি বলয়েই।

বকতাৰ নিচেই কাষেৰে বৈ গৈছে দিচাং। ব্ৰহ্মপুত্ৰৰ অন্যতম উপনৈ। বকতাবাসীৰ বাবে দিচাং এক হাহাকাৰৰ নাম আছিল। দিচাং হৈ পৰিছিল বকতাৰ চকুলো।

মানুহবোৰে খেতিপথাৰত নামিবলৈ যো-জা কৰেহে। বৰষুণ বাঢ়ি আহে। ফেনে ফোটোকাৰে ওফন্দি আহে  দিচাংৰ বুকু। লগে লগে ওফন্দি আহে দিচাংৰ উপনৈসমূহৰ বুকু। নৈপৰীয়া মানুহৰ বুকুৰ ঢপঢপনি বাঢ়ে। দূৰণিৰ গাওঁবোৰেও খবৰ পায়। ৰ'দ বাদ চাই চাউলকেইটামান সৰহকৈ উলিয়াই লয়। মাজে মাজে পানী অকণমান কমে। আকৌ বাঢ়ে। সন্ধিয়ালৈকে পানী নুঠা দেখি গঞাই সেইদিনালৈ স্বস্তিৰ নিশ্বাস পেলায়। ভাবে ইমানতে ৰৈ যাওক এইবাৰলৈ। খাই বৈ শোৱে  সকলোটি।

ৰাতিৰ ভিতৰতে পানী আহি বাৰীত সোমায়হি। পানীৰ সোঁসোঁৱনিৰ চিনাকি শব্দই কাণত পৰেহি। ধৰ-ধৰ মাৰ-মাৰ লাগে।

"উঠ ঐ উঠ। পানী সোমাল ঐ।"

কোনোবাই আটাহ পাৰে।

ঘৰে ঘৰোৱাহে সাৰ পায়।

মাটিত থোৱা চাউলৰ বস্তাটো বিছনাৰ ওপৰলৈ তোলে। আৰু ক'ত কি লাম লাকটু আছে ওখ ঠাইত তোলে। কেতিয়াবা তুলিবলৈকে নেপায়। কাপোৰে কানিয়ে কিতাপে পত্ৰই গোটেইবোৰ তিতে। বাহিৰলৈ দৌৰ মাৰে। বাৰীলৈ গৈ হাততে পোৱা লাওটো,কোমোৰাটো, জলকীয়াকেইটা আৰু শাক-পাত যিয়ে যেনেকে পাৰে ছিঙি আনে। গৰু গাই কেইটা ওখ ঠাইত বান্ধে। বান্ধিবলৈ সুবিধা নেপালে পঘাকেইডাল কাটি দিয়ে। সিহঁতে নিজে নিজে বাৰীৰ ওখ ঢাপকেইটালৈ ঢপলিয়ায়। হাঁহৰ গঁড়ালটো খুলি দিয়ে। অসময়ত বাহিৰ ওলাবলৈ পাই হাঁহবোৰে টাঁট টাঁটকৈ চিঞৰে। কুকুৰাকেইজনী ওপৰত দি থোৱা বাঁহকেইডালত উঠি থাকে। ঘৰৰ আচবাববোৰ ইটা দুটুকুৰামান দি ওখ কৰে। কেনেবাকৈ বাচিলেও বাচক। পানী বাঢ়ি থাকে। পথাৰলৈ সোমোৱা পানী আহি ঘৰৰ বাৰীত সোমায়হি। চাওঁতে চাওঁতে ঘৰৰ মজিয়াত পানী বিৰিঙে। ৰাস্তা-পদূলি ঘৰ- দুৱাৰ একাকাৰ কৰি পেলায়। সাগৰ হৈ পৰে গোটেইখন সাগৰ !

ওখ ভেঁটিবোৰ বাদ দি সকলোৰে ঘৰবোৰ পানীৰ তলত থাকে। কাৰোবাৰ ঘৰৰ ভিতৰত একঁকাল পৰ্য্যন্ত পানী হয়। ওখ ভেঁটিনো বান্ধিব কেনেকৈ ? পানীবনিয়া মানুহে পানী শুকোৱাৰ পাছত মূৰটো দাঙোতেই সাঁচতীয়াখিনি শেষ হয়। কোনো কোনোক বেমাৰে পায়। অৱস্হাপন্ন ঘৰে ভেঁটিটো ওখকৈ বান্ধে। চোতালখন ওখ কৰে। ভঁৰালটো ওখ কৰে। ভঁৰালৰ এটুকুৰা পানীৰ দিনত ব্যৱহাৰ কৰিব পৰাকৈ ৰাখে। ওচৰৰ মানুহ-দুনুহ গৰু-গাই তেনে ঘৰবোৰতে আশ্ৰয় লয়। গৃহস্হই পাৰে মানে সহায় কৰে।

প্ৰায় সকলোৰে ঘৰত একোখনকৈ নাও থাকে। খৰালি দিনত নাওখন আটোমটোকাৰিকৈ ভঁৰালৰ তলত থৈ দিয়ে। বাৰিষা অহাৰ আগে আগে সেইখন পৰীক্ষা কৰে। সেইকেইদিন ইঘৰ সিঘৰলৈ নাৱেৰে আহযাহ কৰে। শৌচাগাৰবোৰ সেইকেইদিন পানীৰ তলত থাকে। গতিকে প্ৰাতঃকৃত্য কৰিবলৈ নাৱত উঠি অকণমান আওহতীয়া ঠাইলৈ যোৱাৰ বাদে গত্যন্তৰ নাই। ওখ ঠাই নাপালে কামফেৰাও নাৱৰপৰাই হৈ যায়। ঘৰৰ সৰুকেইটাক নাৱতে তুলি নি পানীয়ে নোপোৱা মিতিৰৰ ঘৰত থৈ আহেগৈ।

পানীত মাছ আহে। চোতালতে টঙীজাল এখন পাতি থয়। কেতিয়াবা ৰৌ বৰালিও উঠে। কেতিয়াবা ঘৰৰ ভিতৰতে আহি সোমায়হি। তেনে এটা ধৰিব পৰাজন সৌভাগ্যবান হৈ পৰে। শাক-পাত নেথাকে। সেইকেইদিন মাছেৰেই ভাত খায়। মাছ খাই আমনি লাগিলে গড়ালৰ কুকুৰাবোৰ এটা এটাকৈ মাৰি খায়। হাঁহবোৰ পানীত চৰি চৰি বহুদূৰ পায়গৈ। ঘৰৰ কোনোবাই নাও লৈ গৈ সিহঁতক হুৰাই আনেগৈ। তাৰে কেইটামান হেৰায়। হাঁহবোৰে ঘৰৰ ভিতৰে বাহিৰে খলখলাই থাকে। শোঁৱা চাঙৰ তলতে হাঁহো থাকে। ওখ চাংখনত লৰা ছোৱালীবোৰ শুৱাই ডাঙৰবোৰে সাৰে থাকে। কেনেবাকৈ পানী বাঢ়ি গলে বা কোনোবাটো পানীত পৰি গলে সৰ্বনাশ হব।

পানী এদিন দুদিন নেথাকে। খোপনি পুতি বহে। দহ বাৰদিনলৈকে থাকে। শুকুৱাই থোৱা চাউল শেষ হৈ আহে। চোতালত ওখকৈ বনাই থোৱা চাংখনত মানুহে বৰডলা এখনত ধান শুকোৱায়। কেতিয়াবা শুকায়। কেতিয়াবা আধা শুকানকৈয়ে নাৱত তুলি দূৰৰ মিললৈ লৈ যায়। শাক-পাতো পালে আনে।

ঠায়ে ঠায়ে পকনীয়াৰ সৃষ্টি হয়। কোনোবা অত্যুৎসাহীক পকনীয়াই মহতিয়াই লৈ যায়। মানুহবোৰৰ চাই থকাৰ বাহিৰে কৰিবলৈ একো নাথাকে। দিচাঙে মানুহ লয় বুলি হা হুমুনিয়াহ কাঢ়ে। ঘৰৰ মানুহে বুকু চপৰিয়াই কান্দে।

মানুহ লোৱা  দিচাঙখন লাহেকৈ শান্ত হৈ আহে। চিন থৈ যায় সৰ্বত্ৰ। পলসে পুতি পেলায় পথাৰ ,বাৰী ,আলি-পদূলি , স্কুল ,নামঘৰ, ঘৰৰ ভিতৰখন সকলো। গেলা গেলা গোন্ধ এটাই ভমক ভমক কৰে। লাগনি পাণজোপা মৰে। পাৰি থোৱা কঠীয়াবোৰ গেলি যায়। ভাগ্যক্ৰমে পানী এদিন বা দুদিন থাকিলে  নেগেলাকৈ থাকে। গেলিলে আকৌ নতুনকৈ কঠীয়া পাৰে। বানপানী অহাতো নিয়মেই। কঠীয়া গেলাটোও নিয়মৰ দৰেই। গতিকে কঠীয়াৰ ধান মজুত কৰি ৰাখে। পানী শুকুৰাৰ পাছত আকৌ পাৰে। কঠীয়া ডাঙৰ হৈ ৰুব পৰা হয়গৈ মানে শাওণৰ ভালেমান দিন যায়গৈ। কিছুমানৰ মিতিৰৰ ঘৰৰ পৰাও কঠীয়া আহে। অন্যত থকা মিতিৰবোৰে প্ৰায়েই কঠীয়া সৰহকৈ পাৰে।

ৰাইজে দিচাংক কাকুতি কৰে। আৰু পানী নানিবা আৰু প্ৰভূ ! দিচাঙে ক'ৰবাত কেতিয়াবা এই কাকুতি শুনে। আৰু কেতিয়াবা নুশুনে। শুনিবনো কেনেকৈ ? পানীবোৰনো ক'ত সামৰিব ! কাৰোবাৰ সঁজাল ধৰিবলৈ লোৱা, কাৰোবাৰ আগদিনা ৰুই অহা মাটিডৰালৈ হাতোৰা মেলি আহে। কোনোবা বছৰ তিনিবাৰলৈকে পানীয়ে মাৰে। দূৰ দূৰণিলৈকে  উকা হৈ ৰোৱা পথাৰবোৰ চাই চাই গঞাই হুমুনিয়াহ কাঢ়ে। ঠায়ে ঠায়ে মানুহে বাওধানৰ খেতি কৰে। কোনোবা সৌভাগ্যশালী বছৰত খেতি খুব ভাল হয়। ভঁৰাল ভৰি যায়। দুই তিনিবছৰলৈ চিন্তা নাথাকে।

আজিকালি দিচাঙ শান্ত হ'ল। অন্ততঃ বকতাবাসীৰ বাবে। বানপানীয়ে আগৰ দৰে অনিষ্ট নকৰা হ'ল। নদীৰ পাৰত মঠাউৰি হ'ল। বকতাৰ ৰাস্তা-পদূলিও আগতকৈ ভাল হ'ল ! কথাবোৰ সাধুকথাৰ দৰে হ'ল।

উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰে দেশৰ প্ৰদূষিত নদীসমূহ পৰিষ্কাৰ কৰাৰ বাবে কোটি কোটি টকা মোকলাই দিছে৷ এতিয়ালৈকে গংগাক বাদ দি দেশৰ আন আন প্ৰদূষিত নদীৰ বাবে কেন্দ্ৰীয় চৰকাৰে মুঠ ৪৫৭৯.৫৬ কোটি টকা ধাৰ্য কৰিছে৷ ইয়াৰে ২২৩৬ কোটি টকা কেন্দ্ৰই মুকলি কৰি দিছে৷

কিন্তু মনকৰিবলগীয়া যে অসমৰ ২৮খন নদীৰ পানী প্ৰদূষিত হোৱা বুলি কেন্দ্ৰীয় চৰকাৰৰ হাতত তথ্য থকাৰ পাছতো বৰ্তমানলৈকে অসমৰ নদীৰ পানী প্ৰদূষণমুক্ত কৰাৰ বাবে বা নদী সমূহ পৰিষ্কাৰ কৰাৰ বাবে এটকাও মুকলি কৰা নাই৷

যিসময়ত সমগ্ৰ দেশতে লকডাউন অব্যাহত আছে সেই সময়ত একাংশ অসাধু লোকৰ উপদ্ৰৱ বৃদ্ধি পাইছে৷ শেহতীয়াকৈ লকডাউনৰ গইনা লৈ একাংশ দুষ্ট প্ৰকৃতিৰ লোকে নদীত বিহ ঢালি মাছ নিধন যজ্ঞ পতা কাৰ্যই চকু কপালত তুলিছে৷

চৰাইদেউ জিলাৰ সোঁমাজেৰে প্ৰবাহিত দিচাং নদীত অচিনাক্ত কোনো লোকে বিহ ঢলাৰ ফলত নিধন হৈছে কণীযুক্ত মাছ৷ কেইটামান টকাৰ বাবেই দিচাং নদীত বিহ ঢালি কণীযুক্ত মাছ নিধন কৰি বিক্ৰী কৰিছে বিভিন্ন প্ৰান্তত৷ উল্লেখ্য যে অসম মীন অধিনিয়ম ১৯৫৩ৰ অনুসৰি এই সময়ছোৱাত কণীযুক্ত মাছ ধৰাত নিষেধাজ্ঞা আৰোপ কৰা হয়৷

যিহেতু এই সময়ছোৱা মাছৰ প্ৰজননৰ সময়৷ সেয়ে ৭-১৪ ছেন্টিমিটাৰ তলৰ মাছ ধৰাত প্ৰতিবছৰে চৰকাৰে নিষেধাজ্ঞা আৰোপ কৰে প্ৰজনন, বংশ বৃদ্ধি তথা বিকাশৰ বাবে৷ কিন্তু তাৰ প্ৰতি গুৰুত্ব নিদি একাংশ অসাধু লোকে নিজৰ ন্যস্ত স্বাৰ্থ সিদ্ধিতহে গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে৷ যাৰ ফলত এতিয়া দিচাং নদীত বিহ ঢালি কণীযুক্ত মাছ নিধন কৰাৰ লগতে সেইবোৰ বিক্ৰী কৰি আহিছে৷

চৰাইদেউ জিলাৰ মাজেদি বৈ যোৱা দিচাং নদীয়ে বিভিন্ন ঠাইত ব্যাপক খহনীয়াৰ সৃষ্টি কৰিছে। কাষৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ পৰা বৈ অহা নৈখনৰ গৰাখহনীয়াই জিলাখনৰ বিভিন্ন ঠাইত যথেষ্ট ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰিছে। ফলস্বৰূপে নৈপৰীয়া ৰাইজে যথেষ্ট শংকাৰ মাজেদি দিন অতিবাহিত কৰিব লগা হৈছে।

শেহতীয়াকৈ জিলাখনৰ এখন গাৱঁৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে দিচাংৰ খহনীয়াই।  গৰাখহনীয়াৰ ফলত গাওঁবাসীয়ে একমাত্ৰ যাতায়তৰ পথটো হেৰুওৱাৰ শংকাত ত্ৰস্তমান হৈ আছে ৰাইজ। জিলাখনৰ সোণাৰি বিধান সভা সমষ্টিৰ চক্ৰাই গাঁও পঞ্চায়তৰ অন্তৰ্গত বৰাহী কছাৰী গাঁও। গাওঁখনৰ কাষেৰে বৈ যোৱা দিচাং নদীয়ে অশনি সংকেত কটিয়াই আনিছে গাঁওখনৰ মূল পথটোলৈ।

ফলত স্থানীয় জনসাধাৰণ শংকিত হৈ পৰিছে। বাৰিষা কালত দিচাঙৰ পানী ফেনে -ফুটুকাৰে বাঢ়ি অহাৰ লগে লগে চপৰা চপৰ খহে গড়াৰ মাটি, ফলত নদীৰ কাষেৰে যোৱা গাঁৱখনৰ  মূল পথটোলৈ নামি আহিছে সংকট। উল্লেখযোগ্য যে এই পথটোৰেই নিতৌ প্ৰায় পাঁচ হাজাৰ জনসাধাৰণ অহা যোৱা কৰে,  কিন্তু গৰা খহনীয়াৰ ফলত এতিয়া শংকিত হৈ পৰিছে স্থানীয় জনসাধাৰণ।

সমাপ্ত..........